জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৩/২০২০

## মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন কৰিলে মাদাৰ বৃদ্ধাৰাস আৰু ৰাজ্যিক নাৰী গৃহ

## সমাজৰ বয়োজ্যেষ্ঠ, দৰিদ্ৰ আৰু আশ্ৰয়হীন লোকৰ সহায়ৰ বাবে চৰকাৰে নিষ্ঠাৰে পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ এপ্ৰিল ঃ** ন'ভেল কৰ'না ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰজুৰি বলৱৎ হৈ থকা লক্-ডাউনৰ সময়ছোৱাত আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীৰ হাতীগাঁওস্থিত মাদাৰ বৃদ্ধাৰাস আৰু জালুকবাৰীস্থিত ৰাজ্যিক নাৰী গৃহ পৰিদৰ্শন কৰি দুয়োটা গৃহতে থকা আৱাসীসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ স্বাস্থ্যৰ লগতে বিভিন্ন বিষয়ৰ বুজ লয়। এই পৰিদৰ্শন কালত মুখ্যমন্ত্ৰী সোণোৱালে আৱাসীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ লগতে তেওঁলোকক যোগান ধৰা খাদ্য সম্পৰ্কে তদাৰক কৰে তথা আৱাসীসকলৰ মাজত পুষ্টিকৰ খাদ্যসামগ্ৰী আৰু ছেনিটাইজাৰ আদি বিতৰণ কৰে।

মাদাৰ বৃদ্ধাৰাসত আৱাসীসকলৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই বৃদ্ধাৰাসটোৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰা মনালিছা ছ'চাইটিৰ মানৱ দৰদী পদক্ষেপৰ শলাগ লয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৃদ্ধাৰাসটোৰ আৱাসীসকলৰ স্বাস্থ্যকে ধৰি দৈনন্দিন জীৱনৰ বিভিন্ন দিশত সহায়ক হোৱাকৈ মনালিছা ছ'চাইটিয়ে গ্ৰহণ কৰা পদক্ষেপসমূহ মানৱীয় অনুভূতিৰ উৎকৃষ্ট নিদৰ্শন। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম চৰকাৰেও এই বৃদ্ধাৰাস পৰিচালনাৰ বাবে সমাজ কল্যাণ বিভাগৰ জৰিয়তে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াই আহিছে। দেশবাসীৰ স্বাস্থ্য সুৰক্ষিত কৰাৰ উদ্দেশ্যে কৰ'না ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰত লক্-ডাউন বলৱৎ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই ভাইৰাছৰ সংক্ৰমণৰ পৰা বয়োজ্যেষ্ঠ লোকসকলক সুৰক্ষিত কৰিবলৈ তেওঁলোকৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা আৰু পুষ্টিকৰ খাদ্য সামগ্ৰী যোগান ধৰাটো খুবেই জৰুৰী। ৰাজ্য চৰকাৰে সমাজৰ বয়োজ্যেষ্ঠ নাগৰিকসকলৰ লগতে দৰিদ্ৰ আৰু আশ্ৰয়হীন লোকসকলৰ সহায় হোৱাৰ দিশত নিষ্ঠাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণে সৃষ্টি কৰা এই ভয়াবহ পৰিস্থিতিত ৰাজ্যখনৰ সকলোবোৰ চৰকাৰী বিভাগে 'টীম অসম'ৰ মানসিকতাৰে কাম কৰিছে যাতে ৰাজ্যবাসীক সু-স্বাস্থ্যৱান আৰু সুৰক্ষিত কৰি ৰাখিব পৰা যায়।

আনহাতে, ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ দ্বাৰা পৰিচালিত মহানগৰীৰ জালুকবাৰীস্থিত ৰাজ্যিক নাৰী গৃহ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই গৃহৰ আৱাসীসকলৰ লগতে গৃহ পৰিচালনাৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সময়োচিতভাৱে ৰাষ্ট্ৰত লক্-ডাউন ঘোষণা কৰি দেশবাসীক সামাজিক ব্যৱধানৰ নীতি মানি চলি নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ এক সুযোগ প্ৰদান কৰিছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি সমাজ কল্যাণ বিভাগক ৰাজ্যত চলি থকা সকলোবোৰ আশ্ৰয় গৃহৰ আৱাসীসকলে যাতে পৰ্যাপ্ত খাদ্য সামগ্ৰী লাভ কৰে আৰু তেওঁলোকৰ বাবে স্বাস্থ্য যতনৰ উপযুক্ত সা-সুবিধা উপলব্ধ হয় সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। দৈনন্দিন জীৱনত পৰিস্কাৰ-পৰিচ্ছন্নতাই ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাৰ লগতে

ৰোগৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যিক নাৰী গৃহৰ আৱাসীসকলক ন'ভেল কৰ'না ভাইৰাছ সংক্ৰমণৰ লক্ষণ সমূহৰ সম্পৰ্কে নিজকে সজাগ-সচেতন কৰি সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। সবল মন আৰু সুস্বাস্থ্য বৰ্তাই ৰখাৰ ক্ষেত্ৰত দৈনিক ব্যায়াম আৰু যোগাসনে বিশেষভাৱে সহায় কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই গৃহৰ পৰিচালনাৰ দায়িত্বত থকা অধীক্ষক সান্ত্বনা দাস মহন্তক আৱাসীসকলৰ বাবে ব্যায়াম, খেলা-ধূলাকে ধৰি সাংস্কৃতিক দিশটো বিভিন্ন পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰী সোণোৱালে আৱাসীসকলৰ বাবে যোগান ধৰা খাদ্যৰ গুণগত মান তথা শিশুসকলৰ শিক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰো বুজ লয়। তদুপৰি, মুখ্যমন্ত্ৰী সোণোৱালে নাৰী গৃহটোত কৰ্মৰত কৰ্মচাৰী আৰু আৱাসীসকলৰ মাজত 'মাস্ক'ও বিতৰণ কৰে।

ৰাজ্যিক নাৰী গৃহৰ অধীক্ষক সান্ত্বনা দাস মহন্তই মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে বৰ্তমান ৭৭ গৰাকী আৱাসী থকা এই গৃহটোত ১৮ বছৰৰ বয়সৰ তলৰ ২২ গৰাকী শিশু আৰু কিশোৰী আছে আৰু তেওঁলোকৰ শিক্ষাদানৰ বাবে গৃহ শিক্ষকৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি, নাৰী গৃহটোৰ কেইবাগৰাকীও শিশু আৰু কিশোৰীয়ে বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰাৰ লগতে বয়োজ্যেষ্ঠ অশিক্ষিত আৱাসীসকলৰ বাবে সৰ্বশিক্ষাৰ অধীনত ৰূপায়িত শিক্ষাদান কাৰ্যসূচীৰ সহায় লোৱা হৈছে। সেইদৰে ১৮ বছৰ উৰ্দ্ধৰ আৱাসীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে নাৰী গৃহটোত বৃত্তিমূলক শিক্ষাৰ প্ৰশিক্ষণ কেন্দ্ৰ তথা উৎপাদন গোট চলাই থকাৰ কথা উল্লেখ কৰি অধীক্ষক গৰাকীয়ে কয় যে এই নাৰী গৃহৰ অধীনত চিলড্ৰেন হোম, অৱজাৰ্ভেশ্যন হোম, ট্ৰানজিত হোম আৰু হোম ফ'ৰ ডেষ্টিটিউট নামৰ চাৰিটা কেন্দ্ৰ চলাই থকা হৈছে। বৰ্তমান এই নাৰী গৃহত ৬০ গৰাকী কৰ্মচাৰীয়ে সেৱা আগবঢ়াই আছে।

ৰাজ্যিক নাৰী গৃহৰ পৰা ওভতাৰ বাটতে মুখ্যমন্ত্ৰী সোণোৱালে অসম শিশু কল্যাণ সদনত আশ্ৰয় লৈ থকা শিশু আৱাসীৰ লগতো মত-বিনিময় কৰে।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই পৰিদৰ্শন কালত সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম আৰু মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীও উপস্থিত থাকে।

**বীঃগঃ**
**২৬/৪/২০২০**